## হাতবোৰ ফুল

পৃথিৱীৰ প্ৰত্যেকে
সূৰ্যৰ ফালে তুলি দিব পাৰে
আঙুলি মেলি একোখনকৈ হাত

কোটি কোটি হাতৰ প্ৰাচুৰ্য্যত
ধুঁ পৰা মাটিত গজি উঠিব
সহস্ৰ ফুল

সূৰ্য ফুল হ'ব
প্ৰত্যেকে ছিঙি লোৱাত কাৰো আপত্তি নাথাকিব
সুখ দুখৰ নীলা বগা ফুল

মানুহবোৰ গছ
হাতবোৰ ফুল
আকাশৰ ফালে তুলি ধৰা
বহুৰঙী হাত

দেখিবা হাতবোৰ চিলা
আকাশৰ ৰঙৰ সৈতে মিলি যোৱা
নীলা নীলা।